# হাজোত এদিন

## অসমীয়া

**প্ৰশ্ন ১: উত্তৰ দিয়া :**

**(ক) ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মিত প্ৰথম দলংখনৰ নাম কি ? দলংখন কেতিয়া, কোনে মুকলি কৰিছিল ?**

**উত্তৰ :** শৰাইঘাট দলং। এই দলংখন তেতিয়াৰ ভাৰতৰ প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহেৰুৱে ১৯৬২ চনত মুকলি কৰিছিল।

**(খ) হাজোক কিয় 'পঞ্চতীৰ্থ' বোলা হয় ?**

**উত্তৰ:** হাজোেত হয়গ্ৰীৱ মাধৱ, কেদাৰ, কমলেশ্বৰ, কামেশ্বৰ আৰু গণেশ মন্দিৰ তীৰ্থ আছে। হিন্দুসকলৰ এই তাৰ্থস্থান পাঁচখন হাজোত আছে বাবে হাজোক 'পঞ্চতীৰ্থ' বোলা হয়।

**(গ) গৰুড়াচল পাহাৰত থকা মছজিদটোক কিয় পোৱামক্কা বোলে ?**

**উত্তৰ :** গৰুড়াচল পাহাৰত থকা মছজিদটোৰ ভেটিত মক্কাৰপৰা এপোৱা মাটি আনি দিছিল বাৰে এই মছজিদটোক পোৱামক্কা বোলে।

**(ঘ) হয়গ্ৰীৱ মাধৱৰ মূৰ্তিটোক কিহৰ মূৰ্তি বুলি বিশ্বাস কৰা হয় ?**

**উত্তৰ :** হয়গ্ৰীৱ মাধৱৰ মূৰ্তিটোক তিব্বত আৰু ভূটানৰ পৰা অহা বৌদ্ধ লামা সম্প্ৰদায়ৰ লোকসকলে বুদ্ধদেৱৰ মূৰ্তি বুলি বিশ্বাস কৰে। গতিকে এই মূৰ্তিটোক বুদ্ধদেৱৰ মূৰ্তি বুলিয়েই বিশ্বাস কৰা হয়।

**প্ৰশ্ন ২: হাজো ভ্ৰমণ কৰিবলৈ যোৱা ছাত্ৰ-ছাত্ৰীসকলে ক'ৰ পৰা গৈছিল ?**

**উত্তৰ :** শঙ্কৰদেৱ শিশু নিকেতন, গুৱাহাটীৰ পৰা গৈছিল।

**প্ৰশ্ন ৩: ছাত্ৰ-ছাত্ৰীসকলে হাজোত কি বস্তু চাই অধিক আনন্দ পাইছিল ?**

**উত্তৰ :** মাধৱ মন্দিৰত থকা পুখুৰীৰ মাছ আৰু কাছবোৰ চাই অধিক আনন্দ পাইছিল।

**প্ৰশ্ন ৪ : হাজোেত ছাত্ৰ-ছাত্ৰীসকলে বাটত দেখা পোৱা গেৰুৱা সাজ পিন্ধা মানুহবোৰ কোন ?**

**উত্তৰ :** তেওঁলোক তিব্বত আৰু ভূটানৰ পৰা অহা বৌদ্ধ লামা সম্প্ৰদায়ৰ লোক।

**প্ৰশ্ন ৫ : হাজোলৈ তিবৃত আৰু ভূটানৰ পৰা বৌদ্ধ লামা সম্প্ৰদায়ৰ লোকসকল কিয় আছে ?**

উত্তৰ: হাজোত থকা হয়গ্ৰীৱ মাধৱৰ মূৰ্তিটো বৌদ্ধ লামা সম্প্ৰদায়ৰ লোকসকলে বুদ্ধদেৱৰ মূৰ্তি বুলি বিশ্বাস কৰে। সেয়েহে এই মূৰ্তিটো দৰ্শন কৰিবলৈ তেওঁলোক হাজোলৈ আহে।

**প্ৰশ্ন ৬ : মুছলমানসকলৰ বাবে হাজোত থকা পৱিত্ৰ স্থানখনৰ নাম কি ?**

**উত্তৰ:** 'পোৱামক্কা' মছজিদ।

**প্ৰশ্ন ৭ : ছাত্ৰ-ছাত্ৰীসকলে হাজোলৈ যাওঁতে বাছত বহি গাই যোৱা গানবোৰ তেওঁলোকক কোন শিকাইছিল ?**

**উত্তৰ:** অণুবাইদেৱে।

**প্ৰশ্ন ৮ : হাজো কি কি ধৰ্মৰ মানুহৰ মিলনভূমি ?**

**উত্তৰ :** হিন্দু, মুছলমান আৰু বৌদ্ধ ধৰ্মৰ মানুহৰ মিলনভূমি।

**প্ৰশ্ন ৯ : হাজোত পুৰণিকলীয়া কি বস্তু দেখি ছাত্ৰ-ছাত্ৰীসকল অভিভূত হৈছিল ?**

**উত্তৰ :** পুৰণিকলীয়া ডাঙৰ ডাঙৰ মূৰ্তি, ভীমে পঁইতা ভাত খোৱা চৰিয়া, দবা আৰু বৰকাঁহবোৰ দেখি ছাত্ৰ-ছাত্ৰীসকল অভিভূত হৈছিল।

**প্ৰশ্ন ১০ : শব্দ অৰ্থ লিখা :**

**সহযোগ, পুৰণিকলীয়া, স্থানীয়, অভিভূত, বৰকাহ, লহিয়াইছিল।**

**উত্তৰ :**

| **শব্দ** | **অৰ্থ** |
|---|---|
| সহযোগ | সহায় |
| পুৰণিকলীয়া | প্ৰাচীন |
| স্থানীয় | থলুৱা |
| অভিভূত | আৱিষ্ট |
| বৰকাঁহ | এবিধ বাদ্য |
| লহিয়াইছিল | ভটিয়াইছিল |

**প্ৰশ্ন ১১ : বচন পৰিৱৰ্তন কৰা :**

**মই, তুমি, আপুনি, তাই, সি, তেওঁ**

**উত্তৰ:**

| | |
|---|---|
| মই | আমি |
| তুমি | তোমালোক |
| আপুনি | আপোনালোক |
| তাই | তাইহঁত |
| সি | সিহঁত |
| তেওঁ | তেওঁলোক |

**প্ৰশ্ন ১২ : তলত দিয়াবোৰৰ যুক্তাক্ষৰটো লিখি একোটা শব্দ লিখা :**

**ঙ + গ, স + ক, ব + ব, শ + ব, দ + ধ [আৰ্হিঃস+হ স্থ (স্থানীয়)]**

**উত্তৰ :**

ঙ + গ = (গঙ্গা)

স + ক =স্ক (বিস্কুট)

ব + ব =ব্ব(নব্বৈ)

শ + ব =শ্ব (ঈশ্বৰ)

দ + ধ = দ্ধ (বুদ্ধি)